# প্ৰতিবেদন

## অসমীয়া বিভাগ

## পানীগাঁও উম প্ৰকাশ দিনোদীয়ামহাবিদ্যালয়

### বক্তৃতানুষ্ঠান

দিনাংক : ৫ নৱেম্বৰ ২০২২

পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি যোৱা ইংৰাজী ৫ নৱেম্বৰ ২০২২ তাৰিখে বিভাগীয় শ্ৰেণীকোঠাত ‘অন্তহীন প্ৰেৰণাৰ উৎস ড° ভূপেন হাজৰিকা’ শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ জ্যেষ্ঠ অধ্যাপক কৰুণা দত্তই। অনুষ্ঠানটোত মূল বক্তাৰূপে উপস্থিত থাকে লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ৰণদ্বীপ বৰা। ড° বৰাই ভূপেন হাজৰিকাৰ জীৱন, ব্যক্তিত্ব সম্পৰ্কে আলোচনা কৰাৰ লগতে ভূপেন হাজৰিকাৰ গীত সম্পৰ্কেও এক আলোচনা আগবঢ়ায়। ইয়াৰ ওপৰিও তেওঁ ছাত্ৰ-ছাত্ৰী সকলৰ লগত মত বিনিময় কৰে। বিভাগৰ সহকাৰী অধ্যাপক বিজয়লক্ষ্মী দাসে আঁত ধৰা অনুষ্ঠানটোত বিভাগৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক সকলৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপকসকলো উপস্থিত থাকে।









